# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব।

২। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব।

৩। স্থলসেনা বাহিনীৰ মুৰববী জেনেৰেল মনোজ পাণ্ডেই আত্মনিৰ্ভৰশীলতাক ভৱিষ্যতৰ বাবে কৌশলগত আৱশ্যকতা হিচাপে অভিহিত কৰিছে।

৪। দিল্লী উচ্চ ন্যায়ালয়ে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ততালিকে অন্তৰ্বৰ্তী সকাহ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে। *আৰু*

৫। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে।

০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। অৱশ্যে এই পৰ্যায়ত সামৰি ল'বলগীয়া বিহাৰৰ সমষ্টিকেইটাৰ বাবে দাখিল কৰা মনোনয়নসমূহ ৩০ মাৰ্চত পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন হ'ব অহা ২ এপ্ৰিল।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বিহাৰৰ সমষ্টিকেইটাৰ বাহিৰে বাকী সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ কালি সামৰণি পৰে। বিহাৰৰ সংসদীয় সমষ্টিকেইটাৰ বাবে আজিহে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। প্ৰথম পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ১০২টা লোকসভা সমষ্টিৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে ভিতৰত তামিলনাডুৰ ৩৯টা, ৰাজস্থানৰ ১২টা,, উত্তৰ প্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ছটা, অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ পাঁচোটাকৈ, বিহাৰৰ চাৰিটা, পশ্চিমবংগৰ তিনিটা, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মণিপুৰৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছট্টিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু -কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ লোকসভা সমষ্টি আছে।

০০০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ

বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

০০০০০০

বিজেপিয়ে মহাৰাষ্ট্ৰৰ অমৰাৱতী সংসদীয় সমষ্টিত নিৰ্দলীয় সাংসদ নৱনীত ৰাণাই আৰু কৰ্ণাটকৰ চিত্ৰদুৰ্গা লোকসভা সমষ্টিত গোবিন্দ্ কাৰ্জোলে দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব বুলি প্ৰকাশ কৰিছে। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়ব সিং ছাইনীয়ে কৰ্ণাল বিধানসভাৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব।

দলে অন্ধ্ৰ প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবেও দহজন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ঘোষণা অনুসৰি বিজয়াৱাড়া বিধানসভা সমষ্টিত দলৰ নেতা ৱাই এছ চৌদাৰী আৰু বিশাখাপট্টনম উত্তৰ বিধানসভা সমষ্টিত পি বিষ্ণু কুমাৰ ৰাজু নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব।

০০০০০০

কংগ্ৰেছে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ১৪ গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসাৰে দলে ডলী শৰ্মাক গাজিয়াবাদ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ বিপৰীতে নকুল ডুবেক উত্তৰ প্ৰদেশৰ সীতাপুৰ আসনত প্ৰাৰ্থীত্ব দিছে। তালিকা অনুসৰি দলৰ নেতা কালিচৰণ মুণ্ডাই ঝাৰখণ্ডৰ খুন্তী লোকসভা আসনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। একেদৰে, প্ৰতাপ ভানু শৰ্মাক মধ্য প্ৰদেশৰ বিদিশা আৰু ৰাও য়াদেৱেন্দ্ৰ সিঙক গুণা সংসদীয় সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে।

০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰৰ আমন্ত্ৰণমৰ্মে ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডিমাইট্ৰ' কুলেবা আজি দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব। ভ্ৰমণকালত শ্ৰীকুলেবাই ভাৰতৰ বিদেশ মন্ত্ৰী আৰু উপ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ সৈতে আনুষ্ঠানিক বৈঠকত ভাগ লোৱাৰ উপৰি অন্য ভালেকেইখন বৈঠকত অংশগ্ৰহণ কৰিব। বিদেশ মন্ত্ৰালয়ে বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰা অনুসৰি বৈঠকত দুয়োগৰাকী বিদেশ মন্ত্ৰীয়ে

উভয় দেশৰ স্বাৰ্থ জড়িত থকা আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত দ্বিপাক্ষিক সহযোগিতাৰ বিষয়ে আলোচনা কৰিব।

ইপিনে ভাৰত ভ্ৰমণৰ পূৰ্বে শ্ৰীকুলেবাই কয় যে কিয়েভে নতুন দিল্লীক শক্তিশালী আন্তঃৰাষ্ট্ৰীয় কণ্ঠ থকা গুৰুত্বপূৰ্ণ গোলকীয় সহযোগী হিচাপে বিবেচনা কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে দ্বিপাক্ষিক সহযোগিতা, বাণিজ্য আৰু সমাগত বিশ্ব শান্তি সন্মিলনৰ বিষয়ে শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিৰ মাজত হোৱা আলোচনাৰ বিষয়ে উল্লেখ কৰে। তেওঁ ইউক্ৰেইনৰ পুনৰ সংগঠনৰ ক্ষেত্ৰত ভাৰতৰ স্থিতিৰো শলাগ লয়। শ্ৰীকুলেবাই তেওঁৰ ভ্ৰমণে ভাৰত আৰু ইউক্ৰেইনৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰিব বুলি আস্থা প্ৰকাশ কৰে।

ইউক্ৰেইনৰ বিদেশ মন্ত্ৰীগৰাকীয়ে ভাৰতৰ ব্যৱসায়ী সম্প্ৰদায়ৰ সৈতেও মত বিনিময় কৰাৰ সম্ভাৱনা আছে। বিগত সাত বছৰৰ ভিতৰত এয়া হ'ব দেশখনৰ বিদেশ মন্ত্ৰীৰ প্ৰথম ভাৰত ভ্ৰমণ।

০০০০০০

স্থল সেনাবাহিনীৰ মুৰব্বী জেনেৰেল মনোজ পাণ্ডেই আত্মনিৰ্ভৰশীলতাক ভৱিষ্যতৰ বাবে কৌশলগত আৱশ্যকতা বুলি মন্তব্য কৰিছে। ব্যক্তিগত খণ্ডৰ এটা নিউজ চেনেলে আয়োজন কৰা সন্মিলনত অংশ লৈ শ্ৰীপাণ্ডেই কালি অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদৰ ক্ষেত্ৰত নিজা আৱশ্যকতা পূৰণৰ বাবে সামৰ্থ্য বিকাশৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে দেশৰ প্ৰতিৰক্ষা খণ্ডত নিজা সামৰ্থ্য বিকাশৰ ওপৰত ইতিমধ্যে পৰ্যাপ্ত গুৰুত্ব প্ৰদান কৰা হৈছে।

এটা প্ৰশ্নৰ উত্তৰত মুৰব্বীগৰাকীয়ে কয় যে সকলোধৰণৰ পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ দেশ সম্পূৰ্ণৰূপে সাজু হৈ আছে। চীন সন্দৰ্ভত জেনেৰেল পাণ্ডেই কয় যে ভাৰতে দেশৰ উত্তৰ দিশে থকা সীমান্তত সামৰ্থ্য বিকাশৰ লগতে আন্তঃগাঁথনিৰ উন্নয়নতো গুৰুত্ব আৰোপ কৰিছে। সীমান্তৰ সিপাৰে চলি থকা ঘটনাৰাজিতো ভাৰতে তীক্ষ্ণ দৃষ্টি ৰাখিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ততালিকে অন্তৰৰ্তী সকাহ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে। উচ্চ ন্যায়ালয়ে সুৰা নীতি কেলেংকাৰি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰ আৰু ৬ দিনৰ জিম্মালৈ প্ৰেৰণৰ ৰায়ক প্ৰত্যাহ্বান জনাই মুখ্যমন্ত্ৰীগৰাকীয়ে দাখিল কৰা এখন আবেদন সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়লৈ জাননী জাৰি কৰিছে। শ্ৰী কেজৰিৱাল সম্প্ৰতি এই গোচৰৰ সংক্ৰান্তত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মাত আছে। ন্যায়াধীশ স্বৰ্ণকান্ত শৰ্মাৰ এখন বিচাৰপীঠে শ্ৰী কেজৰিৱালৰ আবেদন সন্দৰ্ভত বিধি বলৱৎকাৰী সঞ্চালকালয়ক ২ এপ্ৰিলৰ ভিতৰত উত্তৰ দিবলৈ কৈছে। ৩ এপ্ৰিলত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰা হৈছে।

ইয়াৰ পূৰ্বে শ্ৰী কেজৰিৱালে তেওঁৰ গ্ৰেপ্তাৰ আৰু জিম্মা অবৈধ বুলি ঘোষণা কৰি বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মাৰ পৰা ততালিকে মুকলি কৰি দিয়াৰ বাবে নিৰ্দেশ দিবলৈ অনুৰোধ জনাই দিল্লী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল।

০০০০০০

দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ সাক্সেনাই দিল্লী চৰকাৰ কাৰাগাৰৰ পৰা পৰিচালনা নহয় বুলি ৰাষ্ট্ৰীয় ৰাজধানীৰ জনসাধাৰণক আশ্বাস দিছে। অৰবিন্দ কেজৰিৱালে কাৰাগাৰত থাকিলেও তেৰেই মুখ্যমন্ত্ৰী হিচাপে কাম কৰি যাব বুলি আম আদমী পাৰ্টিৰ একাংশ নেতাই কৰা বিবৃতি সন্দৰ্ভত উপ ৰাজ্যপালগৰাকীয়ে এইদৰে মন্তব্য কৰিছে। নতুন দিল্লীত আয়োজিত এটা ব্যক্তিগত টিভি চেনেলৰ অনুষ্ঠানত সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী সাক্সেনাই এইদৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, বিধি বলৱৎকাৰী সঞ্চালকালয়ে দিল্লীৰ আৰকাৰী নীতি সম্পৰ্কীয় ক'লা ধন বৈধকৰণৰ এটা গোচৰত ২১ মাৰ্চত শ্ৰী কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে। হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৩টা উইকেট হেৰুৱাই ২৭৭ ৰান কৰি ইতিহাস ৰচনা কৰে। হায়দৰাবাদৰ হৈ হেন্ৰিক ক্লাচেনে ৩৪টা বলত ৮০ ৰান কৰাৰ বিপৰীতে অভিযেক শৰ্মাই ২৩টা বলত ৬৩ আৰু ট্ৰেৱিছ হেডে ২৪টা বলত ৬২ ৰানৰ বৰঙণি আগবঢ়ায়।

মুম্বাই ইণ্ডিয়ানছে ২৭৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। মুম্বাইৰ হৈ তিলক বাৰ্মাই ৩৪টা বলত ৬৪ ৰান কৰে। ক্লাচেনক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

শীৰ্ষ বাছনিপ্ৰাপ্ত ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটিটো আজি মিয়ামি অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত স্পেইনৰ মাৰ্চেল

গ্ৰেণোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰাচিয়ো জেবালোছৰ বিৰুদ্ধে অৱতাৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব।

oooooo

ঃসমাপ্তঃ